3 (Sem–2) ASM M 1

Bijni College Library
P.O. Bijni, Dist. Chirang
(B.T.A.D) Assam

**2014**

# ASSAMESE

( Major )

Paper : 2.1

**( Asamiya Sahityar Buranji )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×১০=১০

(ক) 'গীতাসাৰ' কাৰ ৰচনা ?

(খ) 'নন্দোৎসৱ' নাটখনৰ নাট্যকাৰ কোন ?

(গ) গোপাল মিশ্ৰ কাৰ শিষ্য ?

(ঘ) ভট্টদেৱৰ 'ভক্তিবিবেক' পুথিখন অসমীয়ালৈ পদত কোনে ভাঙনি কৰে ?

(ঙ) 'অন্বা চৰিত্ৰ' কাৰ ৰচনা ?

(চ) 'শিয়ালা বৈষ্ণৱ চৰিত' পুথিখনৰ ৰচক কোন ?

(ছ) 'মৃগাৱতী চৰিত' কাৰ ৰচনা ?

(জ) বাইবেলৰ প্ৰথম অসমীয়া অনুবাদক কোন?

(ঝ) কাশীনাথ তামুলী ফুকনৰ বুৰঞ্জীখনৰ নাম কি?

(ঞ) 'বেলিমাৰৰ বুৰঞ্জী'খন কাৰ ৰচনা?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) ভট্টদেৱে তেওঁৰ 'কথাগীতা'ত কি কি চাৰিটা টীকাৰ আশ্ৰয়ত গীতাৰ তত্ত্ব আলোচনা কৰিছে?

(খ) কবীন্দ্ৰ পাত্ৰই কোন কোন ৰজাৰ, কি কি বিষয়বাবত আছিল আৰু তেওঁ কি পুথি ভাঙনি কৰিছিল?

(গ) অনন্ত কায়স্থই 'শ্ৰীৰামকীৰ্তন' পুথিখন কোনখন পুথিৰ সহায়ত ৰচনা কৰে? তেওঁৰ আন এখন পুথি কি?

(ঘ) 'আনন্দলহৰী' পুথিখনৰ মূল কি? এই পুথিখন কোনে, কাৰ আদেশত ৰচনা কৰে?

(ঙ) 'হস্তীবিদ্যাৰ্ণৱ' কাৰ ৰচনা? পুথিখনৰ চিত্ৰসমূহ কোনে কোনে অঙ্কন কৰিছে?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ৰুচিনাথ কন্দলীৰ সাহিত্যকৃতিৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(খ) অসমীয়া ভাষা-সাহিত্যলৈ মাইলছ ব্ৰন্সনৰ অৱদানৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(গ) হেমচন্দ্ৰ বৰুৱাৰ সাহিত্যকৃতিৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(ঘ) 'দৰং ৰাজবংশাৱলী' কাৰ ৰচনা ? পুথিখনৰ বিষয়বস্তুৰ চমু আভাস দিয়া।

(ঙ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যকৃতিৰ বিষয়ে চমু পৰিচয় আগবঢ়োৱা।

(চ) লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্প সম্বন্ধে এটি চমু আলোচনা আগবঢ়োৱা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) ৰঘুনাথ মহন্তৰ সাহিত্যকৃতিৰ বিষয়ে আলোচনা কৰি এটি নিবন্ধ যুগুত কৰা।

(খ) উত্তৰ-শংকৰী যুগৰ অঙ্কীয়া নাটৰ বৈশিষ্ট্য বিচাৰ কৰি এটি আলোচনা আগবঢ়োৱা।

(গ) চৰিত-সাহিত্যৰ পৰিচয় দাঙি ধৰি পদ্য-চৰিতকেইখনৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

(ঘ) উত্তৰ-শংকৰী যুগত অনুবাদ হোৱা পুৰাণসমূহৰ বিষয়ে এটি পৰিচয়মূলক আলোচনা আগবঢ়োৱা।

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ নাটক সম্বন্ধে এটি আলোচনা আগবঢ়োৱা।

(চ) অসমীয়া সাহিত্যলৈ 'জোনাকী' নাইবা 'আৱাহন' কাকতৰ অৱদান সম্পৰ্কে এটি সমীক্ষামূলক আলোচনা আগবঢ়োৱা।

★★★